2 7 AUG 2001 আজিৰ অসম





# পুনৰ অৰণ্যলৈ যাব চোৰাং চিকাৰী!

## আত্মসমৰ্পণৰ পূৰ্বচৰ্ত পূৰণ কৰা নাই বন বিভাগে

**নিজা প্ৰতিনিধি, বৰপেটা, ২৬ আগষ্ট ঃ** বিশ্ব ঐতিহ্যৰ স্থান ৰূপে পৰিগণিত বৰপেটা জিলাৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান সংৰক্ষণাৰ্থে 'মানাহ বন্ধু গ্ৰুপ'ৰ উদ্যোগত আৰু বন বিভাগৰ সহযোগত যোৱা বছৰৰ ২৯ ছেপ্টেম্বৰৰ দিনা বাঁহবাৰীস্থ ৰেঞ্জৰ 'মানাহ ইণ্টাপ্ৰিটেছন চেণ্টা'ৰ কক্ষত ১৮ জন চোৰাং চিকাৰীক আনুষ্ঠানিকভাৱে আত্মসমৰ্পণ কৰোৱা হৈছিল যদিও এনে আত্মসমৰ্পণকাৰী চোৰাং চিকাৰী সকল সম্প্ৰতি পুনৰ অৰণ্যলৈ উভতি যোৱাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। জানিব পৰা মতে, চোৰাং চিকাৰীসকলে আৰোপ কৰা পূৰ্ব চৰ্ত সমূহ অসম চৰকাৰৰ বন বিভাগে আজি কোপতি পূৰণ নকৰা কাৰ্যত ক্ষুব্ধ হৈয়ে আত্মসমৰ্পণকাৰী সকলে এনে সিদ্ধান্ত ল'বলৈ অগ্ৰসৰ হৈছে। উল্লেখযোগ্য যে আত্মসমৰ্পণ কৰাৰ সময়ত চোৰাং চিকাৰী কেইজনৰ বিৰুদ্ধে থকা বন বিভাগৰ গোচৰ সমূহ 'কম্প্ৰমাইজ' কৰি লোৱা হ'ব বুলি আৰু তেওঁলোকৰ আত্মসংস্থাপনৰ ব্যৱস্থা কৰি দিব বুলি মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক এছ পি সিং আৰু তদানীন্তন ৰেঞ্জাৰ অজয় কুমাৰ ব্ৰহ্মাই প্ৰতিশ্ৰুতি দিছিল। কিন্তু সুদীৰ্ঘ এঘাৰ মাহ পিছতো চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষই প্ৰতিশ্ৰুতি সমূহ পূৰণত সম্পূৰ্ণ ৰূপে ব্যৰ্থ হোৱাৰ অভিযোগ উঠিছে। শেহতীয়াকৈ চাৰিজন আত্মসমৰ্পণকাৰী চোৰাং চিকাৰীৰ বিৰুদ্ধে জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছে বৰপেটা জিলা ছেচন আদালতে। এনে ঘটনাৰ পৰিপ্ৰেক্ষিতত আত্মসমৰ্পণকাৰী চোৰাং চিকাৰীসকলে পুনৰ এনে দুষ্কাৰ্যত লিপ্ত হোৱাৰ বাবে পুনৰবাৰ সাজু হৈছে বুলি জানিব পৰা গৈছে।

---

কংগ্ৰেছৰ
কাইলৈ

ৰবাট, ২৬ আগষ্ট ঃ মাজবাট ৰাজহুৱা ত মাজবাট ব্লক যুৱ নজোৱা কাৰ্যসূচীৰে উদ্যোক্তা সকলে উপলক্ষে আয়োজন অসমৰ গড়কাপ্তানি ৰাজ্যিক পৰিকল্পনা বউছ কন্দপান, জিলা প্ৰবীন ডেকা আৰু সভাপতি, সম্পাদক ৰ। সন্মিলনীখন তুলিবলৈ উদ্যোক্তা ক অনুৰোধ জনাইছে।

---

বিনামূলীয়া পশু
চিকিৎসা শিবিৰ

**এজন প্ৰতিবেদক, লালুক, ২৬ আগষ্ট** লখিমপুৰ জিলাৰ অগ্ৰণী সামাজিক সাংস্কৃতিক অনুষ্ঠান বঙালমৰাস্থ জাগৃ সন্মিলিত উন্নয়ন কেন্দ্ৰৰ উদ্যোগত যো ১৯ আগষ্টত বাহগড়া ৰাজ্যিক প চিকিৎসা কেন্দ্ৰৰ সহযোগত বৰ এলে অঞ্চলৰ দুখীয়া কৃষক সকলৰ বাবে এ বিনামূলীয়া পশু চিকিৎসা শিবিৰ অনুষ্ঠি কৰা হয়।

পশু চিকিৎসা বিভাগৰ পৰ্যবেক্ষক জ চন্দ্ৰ গগৈৰ তত্বাৱধানত অনুষ্ঠিত এ শিবিৰত ডেৰ হাজাৰ গৰু, ম'হ আ ছাগলীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে চি কৰণ কৰি বিনামূলীয়াকৈ ঔষধ বিতৰণ ক হয়।

---

আমাৰ অসম
4 নৱেম্বৰ, 2000



# 'মানাহ বন্ধু দল'ৰ উদ্যোগত ৪০ চোৰাং চিকাৰীৰ আত্মসমৰ্পণ

● তপন তালুকদাৰ, 'আমাৰ অসম' অৰণ্যম সেৱা, নিত্যানন্দ

অসমৰ ঐতিহ্যমণ্ডিত মানাহ ৰাষ্ট্ৰীয় উদ্যানত মূল্যবান গঁড়, হৰিণা, বাঘ, হাতী, গাহৰি, চৰাই-চিৰিকটি হত্যা তথা গছ-গছনি কাটি চোৰাং ব্যৱসায় চলাই থকা ৪০ গৰাকী ব্যক্তিয়ে অস্ত্ৰ-শস্ত্ৰসহ অলপতে বাঁহবাৰী বনাঞ্চলিক কাৰ্যালয়ত আত্মসমৰ্পণ কৰে।

মানাহ ৰাষ্ট্ৰীয় উদ্যানখনক সকলো দিশৰ পৰা জাকত-জিলিকা কৰি ৰখাৰ অৰ্থে গঠিত স্বেচ্ছাসেৱী প্ৰকৃতিপ্ৰেমী সংগঠন 'মানস বন্ধু দল'ৰ উদ্যোগত আৰু বন বিভাগৰ সহযোগত বাঁহবাৰী বনাঞ্চলিক কাৰ্যালয়ত বন সংৰক্ষক, বন বিভাগৰ উচ্চতম কৰ্তৃপক্ষ আৰু মানস বন্ধু কৰ্মীসকলৰ ওচৰত চোৰাং চিকাৰী তথা চোৰাং কাঠ ব্যৱসায়ীসকলে অস্ত্ৰ-শস্ত্ৰসহ আত্মসমৰ্পণ কৰে। দুটা পৰ্যায়ত সৰ্বমুঠ ৪০ গৰাকী ব্যক্তিয়ে আত্মসমৰ্পণ কৰা অনুষ্ঠানত বন বিভাগৰ তৰফৰ পৰা তেওঁলোকৰ পৰিয়ালৰ জীৱিকা নিৰ্বাহৰ পথ মুকলি কৰি দিয়াৰ কথা সদৰী কৰে। অনুষ্ঠানত মানাহ বন্ধু দলৰ কৰ্মীসকলে প্ৰকৃতিৰ ৰম্যভূমি মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ চোৰাং চিকাৰী আৰু চোৰাং কাঠ ব্যৱসায়ীৰ অত্যাচাৰত অপূৰণীয়া জীৱ-জন্তু হাতী, বাঘ, গঁড়, হৰিণ, গাহৰি, মাছ-কাছ, চৰাই-চিৰিকটি, গছ-গছনি আদি মাত্ৰাধিকভাৱে ধ্বংস হোৱাত আক্ষেপ কৰে আৰু উদ্যানখনৰ বিভিন্ন ঠাইত আত্মগোপন কৰি থকা চিকাৰী, ব্যৱসায়ীসকলক অনুসন্ধান কৰি বিহিত ব্যৱস্থা লোৱাৰ বিষয়েও মুকলিভাৱে জনায়।